জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.janambhumi.in // e-paper : www.dainikjanambhumi.co.in // Dainik Janambhumi

, সংখ্যা ২৩০ ● শনিবাৰ ● ২৯ বহাগ ১৯৪৫ শক RNI No. ASSASS/2006/16737 THE DAINIK JANAMBHUMI Tinsukia Saturday May 13, 2023 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাট

র্তাসকলে অংশগ্ৰহণ কৰে।

## উজনিচুক ...সন প্ৰতিষ্ঠা



বৰবৰুৱা ঃ নিজা প্ৰতিবেদক, ১২ মে' ঃ ডিব্ৰুগড় জিলাৰ লাহোৱাল সমষ্টিৰ বৰবৰুৱা উন্নয়ন খণ্ডৰ জকাই গাঁও পঞ্চায়তৰ অন্তৰ্গত জকাই নতুন বৰবিল উজনিচুক নামঘৰৰ গুৰু আসন আজি প্ৰতিষ্ঠা কৰা উপলক্ষে আধ্যাত্মিক অনুষ্ঠান অনুষ্ঠিত হয়। মৰাণ সমীপৱৰ্তী ৰাঙলী নাৰায়ণপুৰ বগী আই সত্ৰৰ ভাস্কৰ্য শিল্পী ...আজি আউনীআটী মানকটা ...ম্পাদক, বৈষ্ণৱ প্ৰাণ লম্বিত ...ত্মিক নীতি-নিয়মেৰে মহাপুৰুষ ...ৰ প্ৰতিষ্ঠা কৰে। ভাগৱত পাঠ ...ৱাল, জকাই বৰবিল উজনিচুক ...ষ্ঠা সময়ত শৰাই প্ৰতিষ্ঠা কৰে ...ন পোণা সোণোৱালে। স্থানীয় ...ৰ, স্থানীয় ৰাইজ, গোপিনী-...ৱা আগবঢ়ায়।

বুকালচাবিয়া আৰু বেনেচা কৌশিকে ৯৭ নম্বৰেৰে জিলিকি উঠিছে। ইয়াৰউপৰি কুনাল চৌধুৰী আৰু ঋতিযা আগৰৱালাই ৯৬% নম্বৰ লাভ কৰি বিদ্যালয়খনৰ শ্ৰেষ্ঠতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে।

## ডিব্ৰুগড় জামিৰা ধমল গাঁৱত বহুৱা নৃত্য প্ৰদৰ্শন

বৰবৰুৱা ঃ নিজা প্ৰতিবেদক, ১২ মে' ঃ মৰাণ সমষ্টিৰ অন্তৰ্গত বৰবৰুৱাৰ উন্নয়ন খণ্ডৰ অধীনৰ জামিৰা ধমল গাঁও যুৱক সংঘৰ উদ্যোগত গজাই পথাৰত সোণোৱাল কছাৰী জনগোষ্ঠীৰ অন্যতম 'বহুৱা নৃত্য' প্ৰদৰ্শন কৰা হয়। পুৱা স্মৃতি তৰ্পণ আৰু সম্বৰ্ধনা অনুষ্ঠানৰ লগতে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠান উপলক্ষে জামিৰাৰ গজাই পথাৰত লোকাৰণ্য হৈ পৰে। অনুষ্ঠানত বিশেষভাৱে উপস্থিত থাকে ডিব্ৰুগড়ৰ সাংসদ ৰামেশ্বৰ তেলী, মৰাণ সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈ, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ সোণোৱাল, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকাৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি।

## ডিব্ৰুগড়ত 'বহাগৰ এসন্ধ্যা' শীৰ্ষক মননশীল অনুষ্ঠান

ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১২ মে' ঃ 'সংস্কৃতিয়ে মানুহৰ মন পৰিৱৰ্তন কৰিব পাৰে। মানুহৰ মন পৰিৱৰ্তন কৰে বাবেই সংস্কৃতিয়ে সমাজো পৰিৱৰ্তন কৰিব পাৰে।' সাংস্কৃতিক আৰু সামাজিক অনুষ্ঠান শ্ৰুতি শিল্পী সমাজৰ উদ্যোগত আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সহযোগত ১১ মে'ত অনুষ্ঠিত হোৱা 'বহাগৰ এসন্ধ্যা' শীৰ্ষক অনুষ্ঠান মুকলি কৰি ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি তথা ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ, লেখক, সাহিত্যিক কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াই এইদৰে কয়। ডিব্ৰুগড় সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁয়ে আঁত ধৰা অনুষ্ঠানটি 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে শুভাৰম্ভ কৰে শিল্পী চুমী ফুকন আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সদস্যাসকলে। অনুষ্ঠানটোত আদৰণী ভাষণ আগবঢ়ায় শ্ৰুতি শিল্পী সমাজৰ সভাপতি, চিকিৎসক ডাঃ নৱ গগৈয়ে। অনুষ্ঠানটি শ্ৰুতি শিল্পী সমাজৰ সম্পাদক, জ্যেষ্ঠ শিল্পী চন্দন পাঠকে আঁত ধৰা সাংস্কৃতিক কাৰ্যসূচীত বৰ বিহুৱা জিতেন দাসৰ পৰিচালনাত ডিবৰু বিহুৱা দলৰ দলীয় বিহু, অনাতাঁৰ শিল্পী ভুৱন গগৈৰ পৰিচালনাৰে সুৰ-সমলয় পৰিৱেশন, বৰ বিহুৱতী তথা শিল্পী ৰুবী গগৈ সন্দিকৈৰ পৰিচালনাত টাই আহোম জনগোষ্ঠীয় নৃত্য লাই-লুং খাম, জনগোষ্ঠীয় নৃত্য, ৰাজীৱ ফুকনৰ পৰিচালনাত মিলিজুলি মইনা পাৰিজাতৰ শিশুসকলৰ জিকিৰ পৰিৱেশন, শিল্পী মীনাক্ষী গগৈৰ পৰিচালনাৰে জনগোষ্ঠীয় নৃত্য, শিল্পী ভাৱনা গগৈৰ নৃত্য, কণ্ঠশিল্পী বিতু বৰুৱা, উদীয়মান শিল্পী অভিলাষা বৰুৱা, জিমি জিজ্ঞাসা বৰুৱা, তনভি তনয়া বৰুৱা, উদীপ্ত গোস্বামীয়ে গীত পৰিৱেশন কৰে। কাৰ্যসূচীত শ্ৰুতি শিল্পী সমাজৰ উপ-সভাপতি সুনীল গগৈ, সহকাৰী সম্পাদক মৃদুল শৰ্মা, ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি বিভাস দুৱৰা সহ অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকনৃত্য তথা বিহু নাচ পৰিৱেশন কৰে। সাংস্কৃতিক অনুষ্ঠানৰ তত্ত্বাৱধায়ক আছিল মহাবিদ্যালয়খনৰ সংস্কৃত বিভাগৰ বিভাগীয় প্ৰধান ড° অদিতি বৰুৱা।

## নামৰূপত ৰঙালী বিহু সন্মিলন

নামৰূপ ঃ নিজা সংবাদদাতা, ১২ মে' ঃ নামৰূপত আজিৰপৰা ব্ৰহ্মপুত্ৰ ভেলি ফাৰ্টিলাইজাৰ কৰ্পৰেশ্যন লিমিটেডে দুদিনীয়া কাৰ্যসূচীৰে ৰঙালী বিহু সন্মিলন অনুষ্ঠিত কৰে। সাৰনগৰী বিহু মণ্ডপত অনুষ্ঠিত সন্মিলনত কোম্পানীৰ অধ্যক্ষ আৰু পৰিচালন সঞ্চালক শিৱপ্ৰসাদ মহান্তিয়ে বি ভি এফ চিৰ পতাকা আৰু মুখ্য প্ৰশাসনিক বিষয়া তথা সন্মিলনৰ সভাপতি পংকজ কুমাৰ গগৈয়ে বিহু সন্মিলনৰ পতাকা উত্তোলন কৰে। শ্বহীদ তৰ্পণ কৰে সন্মিলনৰ সাধাৰণ সম্পাদক মণ্ডলীয়ে। ইয়াৰ পাছতে শিৱপ্ৰসাদ মহান্তিয়ে বৃক্ষৰোপণ আৰু অসমীয়া লোক সংস্কৃতিৰ পৰম্পৰাগত সাজ-পাৰ, পিঠা-পনা, খাদ্য আদিৰ প্ৰদৰ্শনী উদ্বোধন কৰে। আজিৰ অনুষ্ঠানত কণী যুঁজ, হুঁচৰি, জেংবিহু, বিহুনাচ প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। সাৰ কাৰখানাৰ আটাইকেইখন ইউনিয়ন, বিষয়া-কৰ্মচাৰীসকলে আজৰি অনুষ্ঠানত অংশগ্ৰহণ কৰে।

...সনা/INDIAN AIR FORCE
...কিৎসা পৰিদৰ্শন কোঠা
...স্ন যোৰহাট, অসম-৭৮৫০০৫
০৩৭৬-২৩৩৩০৩১/৭২৪০
...ই ভাৰতৰ ৰাষ্ট্ৰপতিৰ হৈ এ এফ আস্থান, যোৰহাট (এম আই কোঠা)ৰ

অধিক জানিব...
Timings : Monday to Satur...
4th Floor, Plaza Su...
Phukan Ali Tiniali, ...
Contact
(ENTRANCE FROM PHUKA...

HEAR
HE...
A CLIN...
শ্ৰৱ...
দূৰৈৰ কথা বুজ...
বাৰে বাৰে সুধি...
টেলিভিছন (TV...
ইত্যাদি শ্ৰৱণ শ...
এনে সমস্যা...
(HEARING AI...
সু-খবৰ
আপোনালোক...
ফলস্বৰূপে...
HEAR...
TOKANI CI...
PH 86382...
HEAR JORHA...
8638248043/ 943557...